**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 15-07-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***

::::::::::::::::::::::::::::::::::::::::::

## Headlines

১। আদৰ্শ বিদ্যালয় স্থাপন অসমৰ শৈক্ষিক জগতত ব্যতিক্ৰমী সংযোজন বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ প্ৰকাশ।

২। তিনি দিনীয়া ভ্ৰমণসূচীৰে অসমলৈ অহা কেন্দ্ৰীয় জনজাতী পৰিক্ৰমা মন্ত্ৰী জুৱেল ওৰামৰ আজি শিৱসাগৰ ভ্ৰমণ।

৩। ইউৰো কাপ ফুটবল প্ৰতিযোগিতাৰ ফাইনেলত চতুৰ্থবাৰৰ বাবে স্পেইনৰ খিতাপ দখল। কোপা আমেৰিকা ফুটবল প্ৰতিযোগিতাৰ ফাইনেলত আৰ্জেণ্টিনা, কলম্বিয়াৰ মুখামুখি।

*আৰু*

৪। ভাৰত আৰু জিম্বাব্‌ৱেৰ মাজৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ অন্তিমখন খেলত জিম্বাব্‌ৱেৰ বিৰুদ্ধে জয়লাভেৰে ভাৰতৰ শৃংখলা দখল।

০০০০০০০

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ৰাজ্য চৰকাৰে স্থাপন কৰা ইংৰাজী মাধ্যমৰ আৰু চি বি এছ ই পাঠ্যক্ৰমৰ আধাৰত শিক্ষাদান কৰা আদৰ্শ বিদ্যালয়সমূহৰ শিক্ষাৰ্থীৰ উত্তীৰ্ণৰ হাৰে ৯৬ শতাংশ স্পৰ্শ কৰিছে বুলি প্ৰকাশ কৰিছে। কালি শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আদৰ্শ বিদ্যালয় সংগঠনৰ উদ্যোগত আয়োজিত আদৰ্শ বিদ্যালয়সমূহৰ সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰি শ্ৰীশৰ্মাই এইদৰে কয়। আদৰ্শ বিদ্যালয় প্ৰতিষ্ঠা ৰাজ্যৰ শৈক্ষিক জগতত ব্যতিক্ৰমী সংযোজন বুলিও মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। আনহাতে এই বিদ্যালয়সমূহৰ ফলাফলে ৰাজ্য চৰকাৰৰ ৰাজ্য চৰকাৰৰ আদৰ্শ বিদ্যালয় প্ৰতিষ্ঠাৰ সিদ্ধান্তৰ যথাৰ্থতা প্ৰতিপন্ন কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে এই ক্ষেত্ৰত বিদ্যালয়সমূহৰ শিক্ষকসকলৰ নিষ্ঠা আৰু দায়বদ্ধতাৰ শলাগ লয়। বৰ্তমান এনে বিদ্যালয়ৰ সংখ্যা ৫৬ হৈছেগৈ বুলিও তেওঁ প্ৰকাশ কৰে। আনহাতে ইংৰাজী মাধ্যমৰ আদৰ্শ বিদ্যালয়ৰ সমান্তৰালকৈ চৰকাৰ মাতৃভাষা মাধ্যমৰ বিদ্যালয়ৰ উত্তৰণৰ বাবেও সম্পূৰ্ণ সচেতন আৰু সজাগ বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। যোৱা বছৰ ১৩ খন আদৰ্শ বিদ্যালয়ৰ বাবে ৭০০ কোটিকৈ কৰা ধাৰ্য কৰাৰ সমান্তৰালকৈ অসমীয়া মাধ্যমৰ ৫০০ খন বিদ্যালয়লৈ ৭ৰ পৰা ৮ কোটিকৈ টকা ধাৰ্য কৰা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীয়ে আদৰ্শ বিদ্যালয় সংগঠনক এই বিদ্যালয়সমূহত ক্ৰীড়া আৰু সংস্কৃতি চৰ্চাৰ পৰিৱেশ গঢ়ি তোলাৰ লগতে শিক্ষাৰ্থীসকলক ৰাষ্ট্ৰীয় পৰ্যায়ৰ প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে প্ৰস্তুত কৰা আৰু দেশৰ উৎকৃষ্ট শিক্ষানুষ্ঠানসমূহলৈ শৈক্ষিক ভ্ৰমণত লৈ যোৱাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিবলৈও পৰামৰ্শ দিয়ে।

০০০০০০০

ৰাজ্য চৰকাৰৰ এক লাখ নিযুক্তিৰ প্ৰতিশ্ৰুতি পূৰণৰ অংশ হিচাপে আজি দিছপুৰৰ লোকসেৱা ভৱনত শিক্ষা বিভাগৰ অধীনত ৪১ গৰাকী প্ৰাৰ্থীলৈ নিযুক্তি পত্ৰ প্ৰদানৰ উদ্দেশ্যে নিযুক্তি সমাৰোহৰ আয়োজন কৰা

হৈছে। এই ৪১ গৰাকী প্ৰাৰ্থীৰ ভিতৰত উচ্চ শিক্ষা সঞ্চালকালয়ত ২২ গৰাকী, কাৰিকৰী শিক্ষা সঞ্চালকালয়ত ১২ গৰাকী আৰু ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদত ৭ গৰাকী প্ৰাৰ্থীক নিযুক্তি পত্ৰ প্ৰদান কৰা হ'ব। এই অনুষ্ঠানত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থকাৰ লগতে শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুও উপস্থিত থাকিব। উল্লেখযোগ্য যে, চলিত বৰ্ষৰ ১৪ মাৰ্চ পৰ্যন্ত ৰাজ্য চৰকাৰে ৯৭ হাজাৰ ৪৫৪ গৰাকী প্ৰাৰ্থীক নিযুক্তি পত্ৰ প্ৰদান কৰিছে।

০০০০০০০

সামাজিক মাধ্যম এক্সত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অনুগামীৰ সংখ্যাই ১০ কোটি অতিক্ৰম কৰিছে। যোৱা তিনিটা বছৰত প্ৰধানমন্ত্ৰীৰ অনুগামীৰ সংখ্যা প্ৰায় ৩ কোটি বৃদ্ধি পাইছে। ইয়াৰ ফলত শ্ৰী মোদী এক্সত বিশ্বৰ সৰ্বাধিক অনুসৰণ কৰা নেতা হিচাপে পৰিগণিত হৈছে। অনুগামীৰ সংখ্যাৰ দিশৰ পৰা প্ৰধানমন্ত্ৰী মোদী ৩ কোটি ৪১ লাখ অনুগামী থকা আমেৰিকাৰ ৰাষ্ট্ৰপতি জ' বাইডেনকে ধৰি বিশ্বৰ আন নেতাসকলতকৈ বহু আগত আছে। অনুগামীৰ সংখ্যা ১০ কোটি পাৰ হোৱাৰ পাছত শ্ৰী মোদীয়ে সামাজিক মাধ্যম যোগে দিয়া এটা পোষ্টত এই মাধ্যমত থাকি নিজেই সুখী বুলি প্ৰকাশ কৰাৰ লগতে ইয়াৰ আলোচনা, বিতৰ্ক, জনসাধাৰণৰ আশীৰ্বাদ তথা গঠনমূলক সমালোচনাকে ধৰি বিভিন্ন দিশবোৰক তেওঁ উপভোগ কৰিছে বুলিও প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰীগৰাকীয়ে ভৱিষ্যতেও এই মাধ্যমত সময় অতিবাহিত কৰিব বুলি প্ৰকাশ কৰে।

০০০০০০০

কেন্দ্ৰীয় জনজাতি পৰিক্ৰমা মন্ত্ৰী জুৱেল ওৰামে আজি দিনজোৰা কাৰ্যসূচীৰে শিৱসাগৰ জিলা ভ্ৰমণ কৰিছে। এই কাৰ্যসূচীৰ অংশহিচাপে তেওঁ পুৱাৰ ভাগত ইতিহাস প্ৰসিদ্ধ শিৱদৌল পৰিদৰ্শন কৰে। ইয়াৰ পাছতে সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত তেওঁ প্ৰধানমন্ত্ৰীৰ নিৰ্দেশ মতে, জিলাখন ভ্ৰমণ কৰি বিভিন্ন উন্নয়নমূলক কাম-কাজৰ খতিয়ান ল'ব বুলি প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে জিলাখনৰ কেইবাখনো জনজাতীয় গাঁও ভ্ৰমণ কৰি বান পৰিস্থিতিৰো পৰ্যালোচনা কৰিব। আজি দিনৰ ভাগত তেওঁ জলজীৱন আঁচনিৰ খতিয়ান লোৱাৰ লগতে নিতাই পুখুৰীত নৱনিৰ্মিত আহোম পথাৰ বিশুদ্ধ খোৱাপানী আঁচনিখন আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব। মন্ত্ৰীগৰাকীয়ে কেইবাখনো চাহ বাগিচা পৰিদৰ্শন কৰাৰ লগতে বিয়লিৰ ভাগলৈ জিলা আয়ুক্তৰ কাৰ্যালয়ত হ'বলগীয়া এখন গুৰুত্ব সভাতো অংশগ্ৰহণ কৰিব।

উল্লেখযোগ্য যে, কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ এই ভ্ৰমণ কালত শিৱসাগৰ জিলাৰ অভিভাৱক মন্ত্ৰী ডাঃ ৰণোজ পেগুৱেও তেওঁক সংগ দিছে।

০০০০০০০

যোৰহাট সংসদীয় সমষ্টিৰ সাংসদ গৌৰৱ গগৈক লোকসভাৰ কংগ্ৰেছ সংসদীয় দলৰ উপ-দলপতি হিচাপে পুনৰ নিযুক্তি দিয়া হৈছে। কংগ্ৰেছৰ সাধাৰণ সম্পাদক কে চি বেণুগোপালে সামাজিক মাধ্যম যোগে জনোৱা অনুসৰি কংগ্ৰেছ দলৰ অধ্যক্ষ ছোনীয়া গান্ধীয়ে শ্ৰী গগৈক কংগ্ৰেছ সংসদীয় দলৰ উপ-দলপতি, কে সুৰেশক মুখ্য হুইপ, মণিকাম ঠাকুৰ আৰু মহম্মদ জাৱেদক হুইপ হিচাপে নিযুক্তি দিছে। এই সন্দৰ্ভত শ্ৰীমতী গান্ধীয়ে লোকসভাৰ অধ্যক্ষলৈ এখন পত্ৰ প্ৰেৰণ কৰিছে। অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই গগৈক শুভেচ্ছা জনাই কয় যে, অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ বাবে এয়া আনন্দৰ কথা। উল্লেখযোগ্য যে ইয়াৰ পূৰ্বেও গৌৰৱ গগৈ লোকসভাৰ কংগ্ৰেছ সংসদীয় দলৰ উপ-দলপতি হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল।

০০০০০০০

ৰাজ্যৰ বিভিন্ন জিলাত বাঢ়নী পানী ক্ৰমাৎ শুকাবলৈ লৈছে যদিও এতিয়াও ৰাজ্যৰ ১৮ খন জিলাৰ প্ৰায় ৫ লাখ ৯৭ হাজাৰতকৈ অধিক লোক বানৰ কবলত আছে। ব্ৰহ্মপুত্ৰ, বুঢ়ী দিহিং আৰু দিচাং নৈৰ জলস্তৰ এতিয়াও বিপদসীমাৰ ওপৰত আছে। শেহতীয়া খবৰ অনুসৰি ৰাজ্যত বানৰ ফলত ৯৩ জন লোকৰ মৃত্যু হৈছে। অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ তথ্য অনুসৰি এতিয়াও ৫২টা ৰাজহ চক্ৰৰ এহেজাৰ ৩৪২ খন গাঁৱৰ বিস্তীৰ্ণ অঞ্চল বানত বুৰ গৈ আছে। এই বানত ২৫ হাজাৰ হেক্টৰতকৈ অধিক কৃষিভূমি ক্ষতিগ্ৰস্ত হৈছে। ৰাজ্য চৰকাৰে স্থাপন কৰা ১৭২টা আশ্ৰয় শিবিৰত ৩০ হাজাৰতকৈ অধিক লোকে আশ্ৰয় লৈ আছে। এন ডি আৰ এফ, এছ্‌ ডি আৰ এফ, অগ্নিনিৰ্বাপক বাহিনী, আৰক্ষী আৰু দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ স্বেচ্ছাসেৱকসকলে বান ক্ষতিগ্ৰস্ত অঞ্চলত উদ্ধাৰ অভিযান অব্যাহত ৰাখিছে।

০০০০০০০

নতুন দিল্লীত অনুষ্ঠিত হ'বলগীয়া বিশ্ব ঐতিহ্য সমিতিৰ বৈঠকৰ পৰিপ্ৰেক্ষিতত কালি অসম চৰকাৰৰ কাৰ্যবাহীসকলে বিশ্ব ঐতিহ্য সমিতিৰ অধ্যক্ষক অসমীয়া পৰম্পৰাৰে আদৰণি জনায়। উল্লেখযোগ্য যে ইউনেস্ক'ৰ ইতিহাসত প্ৰথমবাৰৰ বাবে ভাৰতত এই বৈঠক অনুষ্ঠিত হ'ব। অহা ২১ জুলাইৰ পৰা অনুষ্ঠিত হ'বলগীয়া এই বৈঠকৰ কাৰণে ভাৰতৰ হৈ ৰাষ্ট্ৰদূত বিশাল শৰ্মাক অধ্যক্ষ হিচাপে নিৰ্বাচন কৰা হৈছে। উল্লেখযোগ্য যে এই বৈঠকত অসমৰ বাবে চৰাইদেউৰ মৈদাম ক্ষেত্ৰসমূহ বিশ্ব ঐতিহ্যৰ তালিকাত স্থান লাভৰ বাবে ভাৰতৰ পৰা মনোনয়ন কৰা হৈছে।

০০০০০০০

নিটি আয়োগৰ বিশেষ কাৰ্যসূচী **সম্পূৰ্ণতা অভিযান** অসমতো অব্যাহত আছে। এই অভিযানৰ অংশ হিচাপে জিলাই জিলাই বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। সম্পূৰ্ণতা অভিযানৰ অধীনত অভিলাষী জিলা আৰু উন্নয়ন খণ্ডসমূহত মূলতঃ প্ৰথম ৩ মাহতে পঞ্জীয়নভুক্ত প্ৰসূতিৰ সংখ্যা, সংহত শিশু বিকাশ সেৱাৰ অধীনত প্ৰসূতিৰ পৰিপূৰক খাদ্য যোগান, শিশুৰ সম্পূৰ্ণ ৰোগ প্ৰতিৰোধ ক্ষমতাৰ বৃদ্ধিৰ হাৰ, চৰকাৰে ২০১৫ চনতে কৃষকৰ বাবে আৰম্ভ কৰা ছয়েল হেল্‌থ কাৰ্ডৰ যোগেদি মাটিৰ নমুনা সংগ্ৰহৰ হাৰ, প্ৰতিটো খণ্ডত মধুমেহ আৰু উচ্চ ৰক্তচাপজনিত ৰোগীসকলক চিনাক্তকৰণৰ হাৰ আৰু একোটা উন্নয়ন খণ্ডত থকা আত্মসহায়ক গোটৰ বিপৰীতে পুঁজি লাভ কৰি থকা গোটৰ হাৰ, বিদ্যুৎ যোগান থকা মাধ্যমিক পৰ্যায়ৰ বিদ্যালয়ৰ হাৰ তথা পাঠ্যক্ৰম আৰম্ভ হোৱাৰ এমাহৰ ভিতৰতে পাঠ্যপুথি বিতৰণৰ হাৰ বৃদ্ধি কৰাৰ লক্ষ্য লোৱা হৈছে। তিনি মাহজোৱা সম্পূৰ্ণতা অভিযানৰ অংশ হিচাপে নিৰ্বাচিত জনপ্ৰতিনিধিৰ লগতে জিলা তথা খণ্ড বিষয়াসকলে গ্ৰাম সভা, নাটক, পুষ্টিকৰ আহাৰ মেলা, স্বাস্থ্য শিবিৰ, প্ৰদৰ্শনী, সজাগতা সভা আৰু সমদল আদি বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰিছে।

০০০০০০০

ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থা অৰ্থাৎ এন টি এই ভুক্তভোগী পৰীক্ষাৰ্থীৰ বাবে স্নাতক পৰ্যায়ত নামভৰ্তিৰ উমৈহতীয়া প্ৰৱেশ পৰীক্ষা Cuet-UGৰ পুনৰ পৰীক্ষা অনুষ্ঠিত কৰিব বুলি ঘোষণা কৰিছে। এই পৰীক্ষা অহা ১৯ জুলাইত অনুষ্ঠিত হ'ব। সকলো ভুক্তভোগী পৰীক্ষাৰ্থীলৈ ই-মেইল যোগে এই খবৰ প্ৰেৰণ কৰা হৈছে। পৰীক্ষাৰ্থীসকলক প্ৰৱেশ-পত্ৰ শীঘ্ৰেই প্ৰদান কৰা হ'ব।

০০০০০০০

অসম আৰক্ষীৰ এজন অৱসৰপ্ৰাপ্ত মহাপৰিদৰ্শকৰ বেংক একাউণ্টৰ ধন জালিয়াতিৰে আত্মসাৎ কৰাৰ গোচৰত কালি দিছপুৰ আৰক্ষীয়ে ষ্টেট বেংক অব্ ইণ্ডিয়াৰ বৰবাৰী শাখাৰ প্ৰাক্তন শাখা প্ৰৱন্ধক গুলেনুৰ হুছেইনক আটক কৰে। একেটা গোচৰতে আৰক্ষীয়ে ত্ৰিদীপ কলিতা নামৰ আন এজন লোককো আটক কৰে। উল্লেখযোগ্য যে অৱসৰপ্ৰাপ্ত উপ-মহাপৰিদৰ্শক ভৱধৰ দত্তৰ বৰবাৰী শাখাত থকা বেংক একাউণ্টৰ পৰা ২৬ লাখ টকা গোপনে বিভিন্ন তাৰিখত অন্যান্য বেংক একাউণ্টলৈ হস্তান্তৰ কৰা হৈছে। এই সম্পৰ্কে অৱগত হৈ শ্ৰী দত্তই দিয়া এজাহাৰৰ ভিত্তিত দিছপুৰ থানাত এটা গোচৰ পঞ্জীয়ন কৰা হয়। এই গোচৰৰ তদন্তত বৰবাৰী শাখাৰ প্ৰাক্তন শাখা প্ৰৱন্ধক গুলেনুৰ হুছেইনে ইণ্টাৰনেট বেংকিঙৰ সহায়ত ধন জালিয়াতি কৰাৰ তথ্য পোহৰলৈ আহে। অৱসৰপ্ৰাপ্ত মহা-পৰিদৰ্শকজনৰ বেংক একাউণ্টৰ সৈতে ফোন নাম্বাৰ সংযোগ কৰি আৰু ইউজাৰ আইডিৰ লগতে পাছৱৰ্ড সৃষ্টি কৰি বৰবাৰী শাখাৰ প্ৰাক্তন শাখা-প্ৰৱন্ধকগৰাকীয়ে জালিয়াতি কৰিছিল। অভিযুক্ত হুছেইনে একেদৰে আন বহু লোকৰ ধন আত্মসাৎ কৰাৰ ঘটনা সন্দৰ্ভত আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে।

০০০০০০০

বাৰ্লিনত অনুষ্ঠিত ইউৰো কাপ ফুটবল প্ৰতিযোগিতাৰ ফাইনেলত স্পেইনে, ইংলেণ্ডক ২-১ গলৰ ব্যৱধানত পৰাস্ত কৰি চতুৰ্থবাৰৰ বাবে খিতাপ অৰ্জন কৰিছে। নিক উইলিয়ামছে স্পেইনৰ হৈ প্ৰথমটো গল দিয়ে। ইপিনে, ইংলেণ্ডৰ ক'ল পামাৰে খেলৰ ৭৩ মিনিটত এটা গল দিয়ে। ইয়াৰ পাছতেই স্পেইনৰ মিকেল অয়াৰজাবলে খেলৰ ৮৬ মিনিটত দলৰ হৈ বিজয়সূচক গলটো দিয়ে। উল্লেখযোগ্য যে, ২০২০ চনৰ ইউৰো কাপৰ ফাইনেলত ইটালীৰ হাতত পৰাজিত হোৱা ইংলেণ্ড দ্বিতীয়বাৰৰ বাবে ফাইনেলত পৰাজয়ৰ সন্মুখীন হয়।

ইপিনে, মায়ামিত অনুষ্ঠিত কোপা আমেৰিকা ফুটবল প্ৰতিযোগিতাৰ ফাইনেলত আজি আৰ্জেণ্টিনা, কলম্বিয়াৰ সন্মুখীন হৈছে। বাতৰি যুগুতোৱাৰ পৰলৈকে নিৰ্ধাৰিত ৯০ মিনিটত এটা দলেও গল দিবলৈ সমৰ্থ হোৱা নাই।

০০০০০০০

জিম্বাব'ৱেৰ হাৰাৰে ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত ভাৰত আৰু জিম্বাব'ৱেৰ মাজৰ পাঁচখনীয়া টি-২০ শৃংখলাৰ অন্তিমখন খেলত ভাৰতে কালি জিম্বাব'ৱেক ৪২ ৰানত পৰাস্ত কৰে। খেলখনত টছত জিকি জিম্বাব'ৱেই প্ৰথমে ভাৰতক বেটিঙৰ বাবে আমন্ত্ৰণ জনায়। ভাৰতে নিৰ্ধাৰিত ২০ অভাৰত ৬টা উইকেট হেৰুৱাই ১৬৭ ৰান সংগ্ৰহ কৰে। ভাৰতৰ হৈ সঞ্জু ছেমছনে ৪৫টা বলত সৰ্বাধিক ৫৮ ৰান সংগ্ৰহ কৰে। ৰিয়ান পৰাগে ২৪টা বলত ২২ ৰান আৰু শিৱম ডুবেই ১২টা বলত ২৬ ৰান সংগ্ৰহ কৰে। জিম্বাব'ৱেৰ হৈ মুজাৰবানীয়ে ভাৰতৰ দুটা উইকেট দখল কৰে। প্ৰত্যুত্তৰত ১৬৮ ৰানৰ বিজয় লক্ষ্য আগত ৰাখি বেট ধৰা জিম্বাব'ৱেই ১৮ অভাৰ ৩টা বলত আটাইকেইটা উইকেট হেৰুৱাই ১২৫ ৰানহে কৰিবলৈ সমৰ্থ হয়। ভাৰতৰ মুকেশ কুমাৰে ২২ ৰানৰ বিনিময় জিম্বাব'ৱেৰ চাৰিটা উইকেট লাভ কৰিবলৈ সক্ষম হয়। আনহাতে শিৱম ডুবেই ২৫ ৰানৰ বিনিময়ত দুটা উইকেট দখল কৰে।

উল্লেখযোগ্য যে, পাঁচখনীয়া শৃংখলাটোত ভাৰতে চাৰিখন খেলত জয়লাভ কৰি শৃংখলা হস্তগত কৰিছে।

০০০০০০০

উইম্বলডন টেনিছ প্ৰতিযোগিতাত স্পেইনৰ কাৰ্লোছ অল্‌কাৰাজে চাৰ্বিয়াৰ ন'ভাক জ'ক'ভিচক ৬-২, ৬-২, ৭-৬ ছেটত পৰাস্ত কৰি পুৰুষৰ ছিংগলছৰ খিতাপ দখল কৰিছে।

উইম্বলডলনৰ ফাইনেলত অল্‌কাৰাজ দ্বিতীয়বাৰৰ বাবে অৱতীৰ্ণ হোৱাৰ বিপৰীতে জ'ক'ভিচে এই প্ৰতিযোগিতাত ৭ বাৰকৈ বিজয়ীৰ খিতাপ দখল কৰিছিল।

ইপিনে, মিক্সড ডাবলছৰ ফাইনেলত পোলেণ্ডৰ জন জেলেনস্কি আৰু টাইৱানৰ হাছিছ ছু ৱেইৰ যুটীটোৱে মেক্সিকোৰ ছেণ্টিয়াগো গোঞ্জালেজ আৰু গুলীয়ানা আল্মোছৰ যুটীটোক ৬-৪, ৬-২ ছেটত পৰাস্ত কৰি খিতাপ অৰ্জন কৰে।

০০০০০০০

Newspaper Review (15-07-2024 Morn.)

নিৰ্বাচনী প্ৰচাৰৰ মাজতে প্ৰাক্তন মাৰ্কিন ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্প গুলীবিদ্ধ হোৱাৰ বাতৰিটো অসমৰ পৰা প্ৰকাশিত প্ৰত্যেকখন বাতৰি কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। **অসমীয়া খবৰ** কাকতে সভা চলি থাকোতেই গুলীয়ালে ট্ৰাম্পক, ৰক্তাক্ত মুখমণ্ডল শিৰোনামেৰে প্ৰকাশ কৰাৰ লগতে **আমাৰ অসম** কাকতে কাণে কাণে মাৰি সাৰিল ট্ৰাম্প নিৰ্বাচনী প্ৰচাৰৰ সময়তে গুলীবিদ্ধ শিৰোনামেৰে প্ৰকাশ কৰিছে। ৬ মাহৰ ভিতৰত হাৰিয়ানা, মহাৰাষ্ট্ৰ, ঝাৰখণ্ড আৰু দিল্লী বিধানসভা নিৰ্বাচন অনুষ্ঠিত হ'ব। এই বাতৰিটোক **অসমীয়া প্ৰতিদিন** কাকতে ৪ ৰাজ্যত শাসক-বিৰোধীৰ হ'ব তুমুল যুঁজ শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাৰ কাৰ্যকালৰ অন্ত ১ ডিচেম্বৰৰ পৰা ৰাজ্যিক সভাপতি নিৰ্বাচনৰ প্ৰক্ৰিয়া আৰম্ভ হ'ব। এই বাতৰিক **দৈনিক অগ্ৰদূত** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। ৰাজ্যত প্ৰতিটো বিধানসভা সমষ্টিতে একোখনকৈ আদৰ্শ বিদ্যালয় স্থাপন কৰা হ'ব, এই ঘোষণা মুখ্যমন্ত্ৰীৰ। এই বাতৰিক **নিয়মীয়া বাৰ্তা** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। বৰঝাৰস্থিত আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই জনোৱা অনুসৰি আগন্তুক ৩-৪ দিনলৈ ধাৰসাৰ বৰষুণ অহাৰ সম্ভাৱনা নাই। ফলত অহা কেইদিনত গ্ৰীষ্মপ্ৰবাহে দহিব মহানগৰীৰ লগতে ৰাজ্যৱাসীক। এই বাতৰিক **অসমীয়া খবৰ** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। মুম্বাইত আই এন এছ টাৱাৰ মুকলি কৰিলে নৰেন্দ্ৰ মোদীয়ে এই বাতৰিক **দৈনিক জনমভূমি** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। যোৱা ২৪ ঘণ্টাত কৰিমগঞ্জ জিলাত এটি শিশুকে ধৰি দুজন লোকে বানত প্ৰাণ হেৰুৱাইছে। এই বাতৰিক **দৈনিক অসম** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। সাংসদ গৌৰৱ গগৈক পুনৰ কংগ্ৰেছ সংসদীয় দলৰ উপ দলপতি হিচাপে নিযুক্তি দিয়া হৈছে। এই বাতৰিক **দি আছাম ট্ৰিবিউন** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। ৪৬ সংখ্যক নতুন দিল্লীৰ অধিৱেশনত চৰাইদেউ মৈদামে ইউনেস্ক'ৰ টেগ লাভ কৰাৰ সম্ভাৱনা আছে। এই বাতৰিক **দ্যা চেণ্টিনেল** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে – জিৰিবামত কুকী উগ্ৰপন্থীৰ গুলীত জোৱান নিহত, কামাণ্ডো আহত, ৪৬ বছৰৰ মূৰকত খোল খালে জগন্নাথ মন্দিৰৰ ৰত্ন ভাণ্ডাৰৰ দুৱাৰ ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

০০০০০০০

আয়োধানা আন্তঃৰাষ্ট্ৰীয় ফিডে ৰেটিং দবাত অসমৰ ধ্ৰুপদ কাশ্যপে শ্ৰেষ্ঠত্ব অৰ্জন কৰিছে। দবা খেলুৱৈ অভিভাৱক মঞ্চৰ উদ্যোগত অসম ডাউন টাউন বিশ্ববিদ্যালয়ৰ প্ৰেক্ষাগৃহত খেলখন অনুষ্ঠিত হৈছিল। ধ্ৰুপদে ৯ ৰাউণ্ডৰ পৰা ৮ দশমিক ৫ পইণ্ট সংগ্ৰহেৰে প্ৰতিযোগিতাখনত শ্ৰেষ্ঠত্ব অৰ্জন কৰে। অন্ধ্ৰপ্ৰদেশৰ কুশল অ' আৰু তামিলনাডুৰ অনুপ শংকৰ আৰে ৭ দশমিক ৫ পইণ্ট লাভ কৰি ক্ৰমে দ্বিতীয় আৰু তৃতীয় স্থানত থাকে। দেশৰ বিভিন্ন ৰাজ্যৰ কেইবাগৰাকীও খেলুৱৈয়ে এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰে। অসমৰ ৰিণ্টু ব্ৰহ্ম, তন্ময়

ৰাজবংশী আৰু অম্লান মহন্তই ৭ পইণ্টকৈ লাভ কৰে যদিও ট্ৰাই ব্ৰেক স্ক’ৰত চতুৰ্থৰ পৰা চতুৰ্দশ স্থানত থাকে। পশ্চিমবংগৰ আয়ুশ্ৰী সৰকাৰে প্ৰতিযোগিতাখনত শ্ৰেষ্ঠ মহিলা খেলুৱৈৰ সন্মান লাভ কৰে। মহিলা শাখাত ক্ৰমে, অসমৰ দ্বীপ নালিচাই দ্বিতীয় আৰু ঈক্ষিতা বৰ্মনে তৃতীয় স্থান লাভ কৰে।

০০০০০০০

**সমাপ্ত**